# MA 3rd Semester Examination 2013

বিষয় ঃ অসমীয়া

কাকত ঃ দশম (অসমীয়া ভক্তিসাহিত্য)

(সাহিত্য শাখা)

সময় ঃ ৩ ঘণ্টা | মুঠ নম্বৰ ঃ ৮০

১. যি কোনো পাঁচটা প্রশ্নৰ উত্তৰ লিখক।
(প্ৰতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত) ২×৫ = ১০

(ক) ভাৰতবৰ্ষৰ কোনখন ৰাজ্যত প্ৰথমে ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল আৰু কোন খ্ৰীষ্টাব্দত?

(খ) শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ মূল আধাৰ গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখন কি ভাষাত ৰচিত হৈছিল।

(গ) শঙ্কৰদেৱে 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখন কি ভাষাত ৰচনা কৰিছিল? 'ৰত্নাকৰ' শব্দটোৰ অৰ্থ কি?

(ঘ) অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কাক কোৱা হয়? তেওঁ কোন যুগৰ কবি?

(ঙ) 'পুৰাণ' শব্দটোৰ অৰ্থ কি? পুৰাণৰ সংখ্যা কিমান?

(চ) অসমীয়া ভাষাত চণ্ডী আখ্যান ৰচনা কৰা দুগৰাকী কবিৰ নাম লিখক।

(ছ) শিৱসিংহই কোন চনত ৰাজসিংহাসনত বহিছিল? তেওঁ কিমান বছৰ কাল ৰাজত্ব কৰিছিল?

২. যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত) ৪×৩ = ১২

(ক) ভট্টদেৱৰ সাহিত্য কৰ্মৰ এটি পৰিচয় দিয়ক।

(খ) 'ভক্তিৰত্নাকৰ' গ্ৰন্থৰ মূল নিৰ্ণয় কৰক।

(গ) 'ভক্তি' শব্দৰ অৰ্থ নিৰূপণ কৰক।

(ঘ) মেধস মুনিৰ আশ্ৰমৰ এটি বৰ্ণনা দিয়ক।

(ঙ) 'শিৱ পুৰাণৰ বিষয়বস্তুৰ আভাস দিয়ক।

৩. যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত) ৬×৩ = ১৮

(ক) কি পটভূমি বা পৰিস্থিতিত মধ্যযুগত ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল আলোচনা কৰক।

(খ) শঙ্কৰদেৱৰ দ্বাৰা বিৰচিত সাহিত্যৰাজিৰ এটি চমু পৰিচয় দিয়ক।

(গ) ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডীৰ' মূল বা উৎস সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াওক।

(ঘ) অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

(ঙ) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থৰ বিষয়বস্তুৰ আভাস দিয়ক।

৪. যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত) ১০×৪ = ৪০

(ক) আলৱাৰসকল কোন? ভাৰতীয় ভক্তি আন্দোলনলৈ এওঁলোকে কেনেদৰে অৱদান আগবঢ়াইছে বিচাৰ কৰক।



(খ) অসমীয়া ভক্তি সাহিত্যক বিষয়বস্তু আৰু ৰূপ অনুসৰি কিদৰে ভাগ কৰিব পাৰি? প্ৰতিটো ভাগৰে পৰিচয় দিয়ক।

(গ) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনিক মহাপুৰুষ শঙ্কৰদেৱৰ পাণ্ডিত্য প্ৰদৰ্শন আৰু ধৰ্ম প্ৰচাৰৰ উপযুক্ত মাধ্যম বুলি ক'ব পাৰিনে নোৱাৰি আলোচনা কৰক।

(ঘ) পুৰাণৰ লক্ষণসমূহ উল্লেখ কৰি শিৱসিংহৰ দ্বাৰা বিৰচিত 'শিৱ পুৰাণ'ক পুৰাণ বুলি ক'ব পাৰি নে নোৱাৰি বিচাৰ কৰক।

(ঙ) অসমৰ শাক্ত ধৰ্ম আৰু সাহিত্য সম্পৰ্কে এটি সমীক্ষা আগবঢ়াওক।

(চ) ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী'ত উল্লেখ থকা ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ কাহিনীভাগ বৰ্ণনা কৰক।

** ** **